# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-08-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

\- - - - - - - - - - - - - - - - - - - - - -

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাক্-সন্ধিয়া আজি কিছু সময়ৰ পাছতে ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিভাজন বিভীষিকা স্মৃতি দিৱসত বিভাজনৰ ভয়াৱহতাত প্ৰভাৱিত আৰু ক্ষতিগ্ৰস্ত হোৱা অগণন লোকক স্মৰণ।

৩। কাইলৈ দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন। লালকিল্লাৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দেশবাসীক সম্বোধন।

৪। অসমতো স্বাধীনতা দিৱসৰ বিভিন্ন কাৰ্যসূচীৰ আয়োজন। খানাপাৰাৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন। ৰাজ্য চৰকাৰৰ সাংবাদিক পেঞ্চন ঘোষণা। **আৰু**

৫। বিশিষ্ট আৰু উৎকৃষ্ট সেৱাৰ ৰাষ্ট্ৰপতি পদকৰ বাবে অসম আৰক্ষীৰ ১৪ গৰাকী বিষয়া, জোৱান নিৰ্বাচিত।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ আজি প্ৰাক্-সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণীৰ ৰাষ্ট্ৰীয় নেটৱৰ্ক আৰু দূৰদৰ্শনৰ সকলো চেনেলযোগে সন্ধিয়া সাত বজাত প্ৰথমে হিন্দীত আৰু পাছত ইংৰাজীত এই ভাষণ প্ৰচাৰ কৰা হ'ব। দূৰদৰ্শনে ইয়াৰ পাছতে ৰাষ্ট্ৰপতিৰ ভাষণৰ আঞ্চলিক ভাষান্তৰ সম্প্ৰচাৰ কৰিব। আকাশবাণীয়ে নিশা চাৰে ৯ বজাত ভাষণৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত আকাশবাণী গুৱাহাটীৰ বাতৰি প্ৰচাৰৰ সময় কিছু সালসলনি কৰা হৈছে। এই অনুসৰি আজি ৰাষ্ট্ৰপতি মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি দিবলগীয়া ভাষণৰ পৰিপ্ৰেক্ষিতত সন্ধিয়া সাত বাজি ১০ মিনিটৰ বাতৰি সাত বাজি ৪০ মিনিটত আৰু জিলাৰ ৰেহৰূপ সাত বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। আনহাতে কাইলৈ পুৱা সাত বাজি পাঁচ মিনিটৰ বাতৰি ছয় বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব। স্বাধীনতা দিৱস উপলক্ষে কাইলৈ পুৱা ৯ বজাত ৰাজ্যপালৰ ভাষণ আৰু নিশা চাৰে ৯ বজাত প্ৰধানমন্ত্ৰীৰ ভাষণৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰা হ'ব।

০০০০০

দেশ বিভাজনৰ দুঃসহ স্মৃতিৰ সোঁৱৰণত আজি দেশজুৰি বিভাজন বিভীষিকা স্মৃতি দিৱস পালন কৰা হৈছে। ১৯৪৭ চনৰ এই দিনটোত ভাৰত বিভাজনৰ সময়ত অমানৱীয় সমস্যাৰ মুখামুখি হোৱা লোকসকলক আজিৰ

দিনটোত স্মৰণ কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত বিভাজনৰ ভয়াৱহতাত প্ৰভাৱিত আৰু ক্ষতিগ্ৰস্ত হোৱা অগণন লোকক স্মৰণ কৰে। তেওঁ কয় যে বিভাজনৰ দুখ-কষ্ট সহিও পুনৰ জীৱন-যাপন কৰিবলৈ সমৰ্থ হোৱা লোকসকলৰ সাহসক আজি শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে। তদুপৰি, প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ ঐক্য আৰু ভাতৃত্ববোধৰ বান্ধোন ৰক্ষাৰ বাবে জাতিৰ দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

অসমতো আজি এই দিৱস উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে দেশ বিভাজনৰ সময়ত যন্ত্ৰণাৰ সন্মুখীন হোৱা লোকসকলৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপন কৰে। ইফালে, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত আয়োজিত দিৱসৰ অনুষ্ঠানত অংশ লয়। ভাৰতীয় জনতা পাৰ্টীৰ ডিব্ৰুগড় জিলা মহিলা মৰ্চাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত শ্ৰদ্ধা জ্ঞাপন কৰি শ্ৰী সোণোৱালে দেশ বিভাজনৰ সময়ত হোৱা হিংসাত্মক ঘটনাত প্ৰাণ হেৰুওৱাসকলৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপন কৰে। এই অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে এই লোকসকলৰ সংগ্ৰাম আৰু কৰুণ ত্যাগৰ কাহিনী দেশবাসীয়ে সদায় স্মৰণ কৰিব। আজিৰ অনুষ্ঠানত বিধায়ক প্ৰশান্ত ফুকনৰ লগতে জিলা বিজেপিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

বিজেপিৰ কৰিমগঞ্জ জিলা সমিতিৰ উদ্যোগত আজি বিভাজন বিভীষিকা স্মৃতি দিৱস পালন কৰা হয়। এই উপলক্ষে এখন সভা আৰু মৌন পদযাত্ৰাৰ আয়োজন কৰা হয়। চিৰাং জিলাৰ কাজলগাঁৱত ভাৰতীয় ষ্টেট বেংকৰ অধীনৰ গ্ৰামীণ স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ কাৰ্যালয়ত আজি এই দিৱস পালন কৰা হয়। দিৱস উপলক্ষে স্বাধীনতা সংগ্ৰামৰ স্মৃতি বিজড়িত ভালেসংখ্যক আলোকচিত্ৰৰ এখন প্ৰদৰ্শনী মুকলি কৰা হয়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়।

ooooo

হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ অংশ হিচাপে আজিও ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠানৰ আয়োজন কৰা হয়। **লখিমপুৰ** জিলা প্ৰশাসনৰ উদ্যোগত আজি পুৱাৰ ভাগত ত্ৰিৰংগা দৌৰ অনুষ্ঠিত হয়। এই দৌৰত জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া, আৰক্ষী, ছাত্ৰ-ছাত্ৰী আৰু খেলুৱৈয়ে অংশগ্ৰহণ কৰে। আনহাতে, লখিমপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আজি এই উপলক্ষে এটা মটৰ চাইকেল সমদল উলিওৱা হয়। **ডিব্ৰুগড়** জিলা প্ৰশাসনে কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি ত্ৰিৰংগা পদযাত্ৰাৰ আয়োজন কৰে। জিলাখনৰ আয়ুক্ত বিক্ৰম কৈৰীয়ে এই পদযাত্ৰাৰ শুভাৰম্ভ কৰে। **তিনিচুকীয়া** জিলাৰ ডুমডুমাৰ লগতে অন্যান্য অঞ্চলতো হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। **শোণিতপুৰ** জিলাত আজি হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত জিলা প্ৰশাসনৰ উদ্যোগত চাইকেল সমদল উলিওৱা হয়। পুৱাৰ ভাগত **তেজপুৰত** আনন্দ চন্দ্ৰ আগৰৱালা উদ্যানৰ পৰা তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাই এই সমদলৰ শুভাৰম্ভ কৰে। সমদলত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, খেলুৱৈ, জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। **কৰিমগঞ্জ** জিলা প্ৰশাসন আৰু জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আজি এই অভিযানৰ অধীনত এখন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সদস্যৰ লগতে বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। জিলাখনত প্ৰশাসনৰ উদ্যোগত আজি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত হস্ত শিল্প প্ৰতিযোগিতা অনুষ্ঠিত হয়। **মৰিগাঁও** জিলাৰ মৈৰাবাৰীত আজি ত্ৰিৰংগ পতাকাসহ এটা সমদল উলিওৱা হয়। ডাৰুল উলুম মাদ্ৰাছাৰ উদ্যোগত আৰু মৈৰাবাসীৰ

সহযোগত আয়োজিত এই সমদলত জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ লগতে বহুলোকে অংশগ্ৰহণ কৰে। **যোৰহাট** জিলা প্ৰশাসনৰ সহযোগত আজি এছ ডি আৰ এফ আৰু অভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ যুটীয়া উদ্যোগত ব্ৰহ্মপুত্ৰৰ বুকুত ত্ৰিৰংগা যাত্ৰাৰ আয়োজন কৰা হয়। জিলা প্ৰশাসনৰ কেইবাগৰাকীও শীৰ্ষ বিষয়াই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। **কাৰ্বি আংলং** জিলা প্ৰশাসন আৰু জিলা ক্ৰীড়া বিভাগৰ উদ্যোগত আজি ডিফু চহৰত ত্ৰিৰংগা যাত্ৰা কৰা হয়। এই যাত্ৰাত জিলাখনৰ আয়ুক্ত নীৰলা ফাংছ'পি, জিলা ক্ৰীড়া বিভাগৰ বিষয়া তথা খেলুৱৈসকলে অংশগ্ৰহণ কৰে। **তিনিচুকীয়া** জিলাৰ শদিয়া মহকুমাত আজি হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত এটা সমদল উলিওৱা হয়। এই সমদলত শদিয়া আৰক্ষীৰ লগতে চি আৰ পি এফ, এন চি চি আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। জিলাখনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত গাঁৱে গাঁৱে ত্ৰিৰংগ পতাকা সুলভ কৰাৰ বাবে বিপণী মুকলি কৰা হৈছে। ইপিনে, **চৰাইদেউ** জিলা প্ৰশাসনৰ উদ্যোগত আজি হৰ ঘৰ তিৰংগা অভিযানৰ অংশ হিচাপে চৰাইদেউ মৈদামথলীত চাফাই অভিযানৰ আয়োজন কৰা হয়। **কোকৰাঝাৰ** জিলাতো আজি ত্ৰিৰংগা যাত্ৰা কৰা হয়। ইফালে, **বৰপেটা** জিলাত আজি হিন্দু জাগৰণ মঞ্চ আৰু অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ উদ্যোগত ৭৮ মিটাৰ দৈৰ্ঘ্যৰ এখন ৰাষ্ট্ৰীয় পতাকা লৈ সমদল উলিওৱা হয়। **বঙাইগাঁও** শোধনাগাৰৰ উদ্যোগত আজি হৰ ঘৰ তিৰংগা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে **ঢালিগাঁৱ**ত থকা শোধনাগাৰটোৱে ত্ৰিৰংগ পতাকাসহ মটৰ চাইকেল সমদল উলিয়ায়।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত দৰ্শনাৰ্থীৰ বাবে ২০২৪ বৰ্ষৰ গ্ৰীষ্মকালীন বাৰ্ষিক অমৃত উদ্যান মুকলি কৰে। এই উদ্যানখন জনসাধাৰণৰ দৰ্শনৰ বাবে অহা শুকুৰবাৰৰ পৰা ১৫ ছেপ্তেম্বৰলৈ মুকলি থাকিব। উঠি অহা প্ৰজন্মক অমৃত উদ্যানৰ মানসিকতাৰে উদ্বুদ্ধ কৰাৰ উদ্দেশ্যেৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বুটাম বেজ বিতৰণ কৰা হ'ব। এই উদ্যানখনত নতুনকৈ এখন ছাউণ্ড পাইপ প্ৰদৰ্শনীও সংযোজন কৰা হৈছে। এই ব্যৱস্থাৰ জৰিয়তে শিশুসকলে শব্দযন্ত্ৰৰ অনবদ্য অভিজ্ঞতা লাভ কৰিব পাৰিব। আনহাতে এইবেলি প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি অহা ২৯ আগষ্টত ক্ৰীড়াৰ সৈতে জড়িত ব্যক্তিসকলক উদ্যান দৰ্শনৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। একেদৰে বিভিন্ন বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকসকলকো অমৃত উদ্যানৰ পুষ্পৰ সমৃদ্ধি দৰ্শনৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। উল্লেখযোগ্য যে দৰ্শনাৰ্থীৰ সুবিধাৰ্থে কেন্দ্ৰীয় সচিবালয় মেট্ৰ' ষ্টেচনৰ পৰা বিনামূলীয়া বাছসেৱাৰ ব্যৱস্থা কৰা হৈছে। বিভিন্ন প্ৰকাৰৰ ফুল গছৰ পৰা আৰম্ভ কৰি বৃহৎ বৃক্ষ প্ৰকৃতিৰ শ্ৰেণীকোঠা আদিৰে সমৃদ্ধ অমৃত উদ্যান দৰ্শনৰ বাবে আগ্ৰহীসকলে ৰাষ্ট্ৰপতি ভৱনৰ ৱেবছাইটৰ জৰিয়তে প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

০০০০০

সমগ্ৰ দেশতে কাইলৈ ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। দিল্লীৰ লালকিল্লাত কাইলৈ হ'বলগীয়া স্বাধীনতা দিৱসৰ কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে লগতে দেশবাসীক উদ্দেশ্যি ভাষণ দিব। লালকিল্লাত হ'বলগীয়া স্বাধীনতা দিৱসৰ কাৰ্যসূচীলৈ বিভিন্ন দেশৰ প্ৰতিনিধিৰ লগতে পেৰিছ অলিম্পিকত অংশগ্ৰহণকাৰী খেলুৱৈসকলক আমন্ত্ৰণ জনোৱা হৈছে। এই অনুষ্ঠানলৈ বিভিন্ন ক্ষেত্ৰৰ ৬ হাজাৰ বিশিষ্ট ব্যক্তিক বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। ইপিনে অসমতো কাইলৈ

স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

গুৱাহাটীত চৰকাৰী কাৰ্যসূচী কাইলৈ পুৱা চাৰে ৪ বজাত **প্ৰভাতী গীতাঞ্জলি**ৰে আৰম্ভ কৰাৰ পাছত ৭ বজাত চৰকাৰে কাৰ্যবাহীসকলৰ বাসভৱনত আৰু চাৰে ৭ বজাত সকলো চৰকাৰী, অৰ্ধচৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হ'ব। পুৱা ৭ বাজি ৪৫ মিনিটৰ পৰা কুচকাৱাজত ভাগ ল'বলগীয়া দলসমূহ আৰু ৮ বাজি ১৫ মিনিটৰ পৰা নিমন্ত্ৰিত অতিথি তথা জনসাধাৰণ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত উপস্থিত হোৱাৰ পাছত পুৱা ৯ বজাত মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে অভিবাদন গ্ৰহণ কৰিব। এই অনুষ্ঠানত অসম আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে কুচকাৱাজ প্ৰদৰ্শন কৰিব। পতাকা উত্তোলন কাৰ্যসূচীৰ পাছত পুৱা ১০ বজাত  গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ কাৰাবন্দী, ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, বি বৰুৱা কৰ্কট চিকিৎসালয় আৰু যক্ষ্মা চিকিৎসালয়ৰ ৰোগীসকলৰ লগতে বিভিন্ন অনাথ আশ্ৰম, মুক-বধিৰ বিদ্যালয় আদিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আৰু আন ভিন ভিন অনুষ্ঠান-প্ৰতিষ্ঠানত ফলমূল আদি বিতৰণ কৰা হ'ব। স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়া চাৰে ৬ বজাত চৰকাৰী কাৰ্যালয়, নাগৰিকৰ বাসগৃহ আদিত বন্তি প্ৰজ্বলন কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদতো স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব।

ইপিনে ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে স্বায়ত্তশাসিত পৰিষদসমূহৰ মুখ্য কাৰ্যবাহী সদস্যসকলে বিভিন্ন ঠাইত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বঙাইগাঁৱত, অতুল বৰাই নগাঁৱত, উৰ্খাও গৌড়া ব্ৰহ্মই দৰঙত, চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, কেশৱ মহন্তই হোজাইত, ডাঃ ৰণোজ পেগুৱে লখিমপুৰত, অশোক সিংহলে শোণিতপুৰত, যোগেন মহনে যোৰহাটত, সঞ্জয় কিষাণে তিনিচুকীয়াত, অজন্তা নেওগে গোলাঘাটত, পীযুষ হাজৰিকাই গোৱালপাৰাত, বিমল বৰাই ডিব্ৰুগড়ত, নন্দিতা গাৰ্লোছাই শিলচৰত, জয়ন্ত মল্লবৰুৱাই নলবাৰীত পতাকা উত্তোলন কৰিব। আনহাতে, বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে কোকৰাঝাৰত, কাৰ্বিআংলং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙে ডিফুত, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই হাফলঙত, বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ওদালগুৰিত আৰু অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে চৰাইদেউত পতাকা উত্তোলন কৰিব।

ইপিনে ৰাজ্য চৰকাৰে আজি সাংবাদিক পেঞ্চনাৰৰ নাম ঘোষণা কৰে। ২০২৪ বৰ্ষৰ বাবে ৰাজ্য চৰকাৰে ২০ গৰাকী সাংবাদিকক পেঞ্চন প্ৰদান কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে স্বাধীনতা দিৱস উপলক্ষে আৰক্ষী, অগ্নিনিৰ্বাপক, গৃহৰক্ষী তথা অসামৰিক প্ৰতিৰক্ষা আৰু সংশোধনী সেৱাৰ এহেজাৰ ৩৭ জন জোৱানক বীৰত্ব আৰু সেৱাৰ পদক প্ৰদান কৰিছে।

অসম আৰক্ষীৰ ১৪ গৰাকী বিষয়া জোৱানলৈ এইবাৰ বিশিষ্ট আৰু উৎকৃষ্ট সেৱাৰ বাবে পদক আগবঢ়োৱা হৈছে। অসম আৰক্ষীৰ উপ মহাপৰিদৰ্শক ৰন্না সিংহই উল্লেখনীয় সেৱাৰ বাবে ৰাষ্ট্ৰপতি পদক লাভ কৰে। আনহাতে অসম আৰক্ষীৰ উপ মহাপৰিদৰ্শক বিজয় গিৰি কুলিগাম, আৰক্ষী অধীক্ষক মিহিৰজিৎ গায়ন, আৰক্ষী অধীক্ষক

ৰঞ্জন ভূঞা, আৰক্ষী অধীক্ষক সিংহৰাম মিলি, উপ পৰিদৰ্শক ত্ৰৈলোক্য শৰ্মা, নায়ক বিজু লহকৰ, উপ পৰিদৰ্শক বিপুল শইকীয়া, নায়ক প্ৰফুল্ল ডেকা, সহকাৰী উপ পৰিদৰ্শক কামিনী ডেকা, নায়ক শৈলেন কাকতি, পৰিদৰ্শক মনোজ কুমাৰ সিং, নায়ক কান্ত সিংহ আৰু নায়ক ইনামুল হকক বিশিষ্ট সেৱাৰ পদকৰ বাবে নিৰ্বাচিত কৰা হয়।

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি হাজোত অসমৰ দ্বিতীয়গৰাকী মুখ্যমন্ত্ৰী তথা প্ৰথম অসমীয়া ৰাজ্যপাল লৌহমানৱ বিষ্ণুৰাম মেধিৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বিষ্ণুৰাম মেধিৰ হাজোৰ ভৰালীটোলাৰ নিজ বাসভৱন 'শিশু কল্যাণ ভৱন'ত ৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তিটো উন্মোচন কৰাৰ পাছত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে 'লৌহমানৱ' শীৰ্ষক এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে লৌহমানৱ বিষ্ণুৰাম মেধিৰ অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। বিষ্ণুৰাম মেধিৰ ৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তিটো নতুন প্ৰজন্মৰ বাবে দেশপ্ৰেমৰ অতুলনীয় প্ৰেৰণাৰ উৎস হৈ পৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। হাজোবাসীক এই প্ৰতিমূৰ্তি উৎসৰ্গা তেওঁ গৌৰৱান্বিত বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, প্ৰয়াত নেতাগৰাকীৰ  অবৈধ প্ৰব্ৰজনৰ বিৰুদ্ধে যুঁজাৰ সাহসে অসমৰ নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰিব।

০০০০০

পশুপালন বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি দিছপুৰত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ দ্বাৰা ৰূপায়িত হৈ থকা আঁচনি, ভৱিষ্যতৰ পৰিকল্পনা তথা কাৰ্যপন্থা সন্দৰ্ভত বিভাগটোৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত বাণিজ্যিক উদ্যোগীকৰণৰ জৰিয়তে ৰাজ্যত ছাগলী বিপ্লৱ আৰু গাহৰি বিপ্লৱৰ প্ৰকল্পৰ বিষয়ে আলোচনা কৰা হয়। বিভাগে ৰূপায়ণ কৰি থকা আঁচনিসমূহৰ অগ্ৰগতিৰ লগতে ৰাজ্যিক বাজেটৰ ব্যয়ৰ স্থিতিৰ বিষয়েও মন্ত্ৰী শ্ৰীবৰাই পৰ্যালোচনা কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত বাকী থকা কামো সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

গুৱাহাটী মহানগৰীত খোৱাপানী যোগানৰ নামত জল বোৰ্ডে ৯ হাজাৰ ৫০০ টকা মাচুল নিৰ্ধাৰণ কৰিছে যদিও পৌৰ নিগমে ইয়াৰে ৭ হাজাৰ টকা প্ৰদান কৰিব। বাকী আঢ়ৈ হাজাৰ টকা গ্ৰাহকে খোৱাপানী সংযোগৰ বাবে দিব লাগিব বুলি মেয়ৰ মৃগেন শৰণীয়াই প্ৰকাশ কৰিছে। শ্ৰী শৰণীয়াই আজি সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, প্ৰথমে গুৱাহাটী পৌৰ নিগমৰ অধীনত ৩৪ হাজাৰ গ্ৰাহকক পানীযোগানৰ বাবে ৭ হাজাৰ টকা পৌৰ নিগমৰ ফালৰ পৰা দিয়া হ'ব। দক্ষিণ-পূব প্ৰকল্পৰ জৰিয়তে দিছপুৰ অঞ্চলত অঞ্চলসমূহৰ ৰেচন কাৰ্ড থকা পৰিয়ালসমূহক পানীযোগানৰ বাবে ৭ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। তেওঁ কয় যে, জাইকাৰ জৰিয়তে এক লাখ ২৫টা পানী সংযোগ দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ৪৭ হাজাৰ ৬৬৬টা সংযোগ প্ৰদানৰ বাবে সাজু হৈ উঠিছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

সমাপ্ত